জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮/২০১৯

# নুমলীগড়ত অসম বায়’ ৰিফাইনাৰীকে ধৰি ১৮ হাজাৰ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ কাম-কাজৰ শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰীয়ে

## অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি আৰু অস্তিত্ব সুৰক্ষিত কৰাৰ দিশত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰ দায়বদ্ধ আৰু প্ৰতিশ্ৰুতিবদ্ধ ঃ প্ৰধানমন্ত্ৰী

## কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলক শক্তিশালী ভাৱে গঢ় দিয়াৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ফেব্ৰুৱাৰী** ঃ ‘অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি আৰু অস্তিত্ব সুৰক্ষিত কৰাৰ দিশত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰ দায়বদ্ধ আৰু প্ৰতিশ্ৰুতিবদ্ধ। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ জৰিয়তে অসমীয়া জাতি সত্ত্বাক সুৰক্ষিত কৰাৰ দিশত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে সমিতি গঠন কৰি দিছে। এই সমিতিয়ে বৃহত্তৰ অসমীয়া জাতিৰ আৱেগ-অনুভূতি আৰু আশা-আকাংক্ষা পূৰণ কৰাকৈ প্ৰতিবেদন দাখিল কৰিব। অসম চুক্তি ৰূপায়ণৰ বাবে কেন্দ্ৰৰ শাসনাধিস্থ পূৰ্বৰ চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা নকৰিলে। কেৱল ভোট বেংকৰ স্বাৰ্থত ৰাজনীতিহে কৰিলে। অসমবাসীৰ অধিকাৰক আমি দায়িত্ব হিচাপে গ্ৰহণ কৰিছো আৰু অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীকৰণেৰে অসমৰ থলুৱা লোকৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ দিশত ব্যৱস্থা লৈছো।’- আজি অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ইতিহাসত বৃহৎ বিনিয়োগেৰে নুমলীগড় অসম বায়’ ৰিফাইনাৰী, বাৰাউনী-গুৱাহাটী প্ৰাকৃতিক গেছ পাইপলাইন, উত্তৰ পূব গেছ গ্ৰীড, দুটা ভৌগোলিক এলেকাত চিজিডি, ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী- উত্তৰ গুৱাহাটী সংযোগী দলঙৰ কাম-কাজৰ শুভাৰম্ভ কৰাৰ লগতে উত্তৰ- গুৱাহাটীত মাউণ্ডেড ষ্ট’ৰেজ ভেচেলৰ এলপিজি কেপাচিটি অগমেন্টেশ্যন আৰু তিনিচুকীয়াত হলং মডিওলাৰ গেছ প্ৰচেছিং প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গিত কৰি এই উপলক্ষে চাংসাৰিত বিশাল ৰাজহুৱা জনসভা সম্বোধন কৰি প্ৰদান কৰা ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এইদৰে কয়। উল্লেখ্য যে ১৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ ৰূপায়ণে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত বৃহৎ বৰঙণি যোগাব।

পূৰ্বৰ চৰকাৰে এনআৰচি প্ৰস্তুতকৰণৰ কাম অৱহেলা কৰিছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই চৰকাৰৰ দিনতে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ ক্ৰমে এনআৰচিৰ কাম সম্পূৰ্ণ হোৱাৰ দিশত গতি কৰিছে বুলি কোৱাৰ লগতে উচ্চত ন্যায়ালয়ৰ নিৰীক্ষণত এনআৰচিৰ কাম নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব বুলিও কয়। পূৰ্বৰ চৰকাৰে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰাৰ কাম সম্পাদন কৰি বিদেশীৰ অবাধ বিচৰণ ৰোধ কৰাৰ দিশত অনীহা প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই চৰকাৰৰ দিনতে অগ্ৰাধিকাৰৰ ভিত্তিত সীমান্ত ছীল কৰাৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত বুলিও কয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয় যে অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যসভাত বিল উত্থাপন কৰিছে। ৰাজ্যখনৰ বৰ্তমানে থকা জনজাতি সকলৰ অধিকাৰ আৰু সা-সুবিধা সমূহ অক্ষুন্ন ৰাখি এই জনগোষ্ঠীকেইটাক জনজাতিকৰণ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে নিশ্চিতি প্ৰদান কৰে। এই প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে সাধাৰণৰ শ্ৰেণীৰ অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে বৰ্তমানে থকা এচচি, এছটি, অবিচিৰ অধিকাৰ আৰু সা-সুবিধা অক্ষুন্ন ৰাখি যিদৰে ১০ শতাংশ আসন কেন্দ্ৰীয় চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিলে, তদানুৰূপভাৱে অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণো একে প্ৰক্ৰিয়াৰে সম্পাদন কৰা হ'ব যাতে বৰ্তমানে থকা জনজাতিসকলৰ অধিকাৰ কোনো কাৰণতে বিঘ্নিত নহয়। নাগৰিকত্ব সংশোধনী বিধেয়ক সম্পৰ্কত প্ৰধানমন্ত্ৰীয়ে কয় যে এইখন সম্পূৰ্ণ ৰাষ্ট্ৰীয় নীতিৰ আধাৰত উত্থাপন কৰা বিধেয়ক। ইয়াৰ ফলশ্ৰুতিত অসমৰ জনসাধাৰণৰ কোনো ক্ষতি নহয় আৰু হ'বলৈ দিয়া নহ'ব বুলিও কয়।

ভাষণৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ' গীতৰ পংক্তি আওৰাই প্ৰধানমন্ত্ৰীয়ে এই গৰাকী বৰেণ্য ব্যক্তিয়ে নিজৰ গীত-মাত আৰু সাহিত্যৰে বিশ্বৰ বুকুত অসমৰ পৰিচয় সগৌৰৱে দাঙি ধৰিছিল বুলি কোৱাৰ লগতে জীৱিত কালত এই গৰাকী ব্যক্তিক ভাৰত ৰত্ন সন্মান প্ৰদান নকৰাৰ দিশটোৰ বাবে আক্ষেপ প্ৰকাশ কৰে। ড° ভূপেন হাজৰিকাক বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে ভাৰত ৰত্ন প্ৰদানেৰে অসমীয়া জনসাধাৰণৰ আৱেগ-অনুভূতিক সন্মান জনোৱাৰ উপৰি পূৰ্বৰ অটল বিহাৰী বাজপেয়ী নেতৃত্বধীন কেন্দ্ৰীয় চৰকাৰে অসমৰ আন এগৰাকী বৰেণ্য ব্যক্তি গোপীনাথ বৰদলৈকো ভাৰত ৰত্ন প্ৰদানেৰে সন্মান প্ৰদৰ্শন কৰিছে বুলি কয়।

ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, আজান ফকীৰ, স্বৰ্গদেউ চাওলুং ছ্যু-কা-ফা, লাচিত বৰফুকন ইত্যাদি মহাপুৰুষ আৰু মহান মনীষীৰ বাণী সাৱোগত কৰি এই চৰকাৰে বিকাশৰ দিশত দায়বদ্ধাতাৰে অগ্ৰসৰ হৈছে বুলিও কয়। পূৰ্বতে কলকতাৰ পিছত আৰু যে কিবা দেশৰ ভূখণ্ড আছে তাৰ ওপৰত গুৰুত্ব প্ৰদান নকৰাৰ ফলশ্ৰুতিত এই অঞ্চল বঞ্চিত হ'বলগীয়া হৈছিল বুলি উল্লেখ কৰি যোৱা চাৰে চাৰি বছৰত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি, ডিজিটেল সেৱা, স্থল পথ, ৰে'ল সংযোগ, আকাশী পথৰ সংযোগ, দীৰ্ঘতম দলং - ড° ভূপেন হাজৰিকা সেঁতু, দেশৰ ভিতৰতে দৈৰ্ঘ্যতম ৰে'ল আৰু পথৰ দলং - বগীবিল দলঙকে ধৰি নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা বৃদ্ধিৰ বাবে ২২ হাজাৰ কোটি টকাতকৈও অধিক টকা বিনিয়োগৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত ইত্যাদিৰে ৰাজ্যখনৰ উন্নয়নত যুগান্তকাৰী পদক্ষেপ লৈছে বুলিও কয়। এইবাৰৰ অন্তৰ্বৰ্তী বাজেটত উত্তৰ পূৰ্বাঞ্চলৰ পুঁজিৰ পৰিমাণ ২১ শতাংশ বৃদ্ধিৰে উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাৰ প্ৰয়াস চলাইছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰীয়ে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰে এইবাৰ এখন জনকল্যাণকামী আৰু উন্নয়নী বাজেট প্ৰস্তুত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী সভাৰ সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰে। আজি যি সমূহ প্ৰকল্প ৰূপায়ণ কৰা হ'ল ইয়ে উত্তৰ পূৰ্বাঞ্চলৰ লগতে দেশৰ অৰ্থনীতিলৈ বিশেষ শক্তি প্ৰদান কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। বিগত চাৰে চাৰি বছৰত উত্তৰ পূৰ্বাঞ্চলৰ কেৱল তৈল খণ্ডত কেন্দ্ৰীয় চৰকাৰে সৰ্বমুঠ ১৪ হাজাৰ কোটি টকাৰ কাম সম্পূৰ্ণ কৰাৰ লগতে বৰ্তমান ৯৫০০ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ কাম পূৰ্ণোদ্যোমে চলি আছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। আজি শুভাৰম্ভ কৰা নুমলীগড় শোধনাগাৰৰ বায়' ৰিফাইনাৰীয়ে প্ৰায় ৫০ হাজাৰ পৰিয়ালক অতিৰিক্ত আয়ৰ সুবিধা

প্ৰদান কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। উত্তৰ পূব গ্ৰেছ গ্ৰীডৰ জৰিয়তে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ আটইকেইখন ৰাজ্য উপকৃত হোৱাৰ লগতে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী দলংখনে পূৰ্বৰ ডেৰ ঘন্টাৰ যাত্ৰা পথ ১৫ মিনিটলৈ হ্ৰাস কৰিব বুলিও কয়।

ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে মৰিগাঁওত চলি থকা শ্ৰীমন্ত শংকৰ সংঘৰ অধিৱেশনৰ সৰ্বতো প্ৰকাৰৰ সফলতা কামনা কৰাৰ লগতে এই অধিৱেশনত উপস্থিত হোৱা লাখ লাখ ভক্তকো শ্ৰদ্ধা জ্ঞাপন কৰে। পূৰ্বৰ চৰকাৰে দুৰ্নীতিক প্ৰশাসনৰ অংগ হিচাপে লৈ এক ভ্ৰষ্টাচাৰী শাসন ব্যৱস্থা চলাইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱাল নেতৃত্বাধীন বৰ্তমানৰ ৰাজ্য চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে আৰম্ভ কৰা কঠোৰ পদক্ষেপৰ ফলশ্ৰুতিত ৰাজ্যত আৰম্ভ হোৱা সুশাসনৰ দ্বাৰা জনসাধাৰণৰ মাজত এক প্ৰত্যয়ৰ ভাৱনা সৃষ্টি হৈছে বুলিও কয়। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শলাগ লয়।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলক শক্তিশালীভাৱে গঢ় দিয়াৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে আৰু আজি বিভিন্ন প্ৰকল্পৰ আধাৰশিলা আৰু শুভাৰম্ভ কৰাটো এক ঐতিহাসিক দিন হিচাপে সদায়ে জিলিকি থাকিব। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক ভাৰত ৰত্ন প্ৰদানৰ জৰিয়তে অসমৰ স্বাভিমানক সন্মান জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক কৃতজ্ঞতা প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই গৰাকী গণশিল্পীয়ে মানুহে মানুহৰ বাবে কাম কৰি যোৱাৰ পথ দেখুৱাই গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বতে অসমত শোধনাগাৰ, দলং, প্ৰতিষ্ঠান পাবলৈ শদিয়াৰ পৰা ধুবুৰীলৈ আন্দোলন কৰিব লগীয়া হৈছিল। যোৱা চাৰে চাৰি বছৰত অসমৰ শক্তি আৰু সম্ভাৱনাক বিকশিত কৰি কেন্দ্ৰীয় চৰকাৰে উন্নয়নৰ যাত্ৰা ৰচিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়ৰে নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা ৯ মিলিয়ন মেট্ৰিক টনলৈ বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ৰাজ্যখনৰ উদ্যোগ ক্ষেত্ৰলৈ বৃহৎ অৰিহণা যোগাব। নুমলীগড় শোধনাগাৰৰ পৰিসৰ বৃদ্ধিৰ বাবে প্ৰায় ২৩ হাজাৰ কোটি টকা আৰু আজি শিলন্যাস কৰা ১৮ হাজাৰ কোটি টকাৰ প্ৰকল্পকে ধৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ আন্তঃগাঁথনিৰ দিশত ৪০ হাজাৰ কোটি টকা বিনিয়োগ কৰাৰ সিদ্ধান্ত যুগান্তকাৰী সিদ্ধান্ত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অনুপ্ৰেৰণাতে ৰাজ্যখনত পোন প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা বিশ্ব বিনিয়োগ সন্মিলনৰ পিছত এতিয়ালৈকে ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগ ৰাজ্যখনে লাভ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি ইয়াৰ ফলশ্ৰুতিতে ৰাজ্যখনত এক অনুকূল ঔদ্যোগীক বাতাবৰণৰ সৃষ্টি হোৱাৰ ফলশ্ৰুতিত লাখ লাখ নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম সংস্থাপনৰ পথ প্ৰশস্ত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীকৰণেৰে খিলঞ্জীয়াৰ সাংবিধানিক, বিধায়িনী, প্ৰশাসনিক অধিকাৰ সুৰক্ষিতকৰণ, এন আৰ চিৰ কাম শক্তিশালী ৰূপত আগুৱাই নিয়া, ভাৰত-বাংলাদেশ সীমান্ত সম্পূৰ্ণ ৰূপে ছীল কৰা কাম শক্তিশালীভাৱে আগুৱাই নিছে বুলি উল্লেখ কৰি এই সমূহ পদক্ষেপৰ ফলশ্ৰুতিত ৰাজ্যখন সুৰক্ষিত হ'ব বুলি কয়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

হাউছ ফেডৰ অধ্যক্ষ ৰঞ্জিত দাসে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিত্ত, স্বাস্থ্য আৰু গড়কাপ্টানি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত কেন্দ্ৰীয় ৰে'ল দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰাজেন গোঁহাই, কেইবাগৰাকীও সাংসদ, ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া সকলে অংশ গ্ৰহণ কৰে।

আজিৰ এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চাংসাৰিত নিৰ্মাণ হ'বলগীয়া এইমছৰ কাম-কাজৰো ভূমি পূজনেৰে শুভাৰম্ভ কৰা হয়।

**সুঃদঃ / বীঃগঃ / বঃভাঃ / পুঃডেঃ**
**৯/২/২০১৯**